ভাৰত চৰকাৰ
বিত্ত মন্ত্ৰণালয়
অৰ্থনৈতিক পৰিক্ৰমা বিভাগ

নতুন দিল্লী, দিনাংক ১৯ এপ্ৰিল, ২০১৭

**অধিসূচনা**

**প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ জমা আঁচনিৰ সংশোধন, অধিসূচনা নং এছ.অ'. ৪০৬১ ই**

১. এচ অ'. - বিত্ত আইন, ২০১৬ (২০১৬ৰ ২৮)ৰ (ইয়াৰ পাছত আইনখন বুলি উল্লেখিত) ধাৰা ১৯৯খৰ দফা(গ)ৰ দ্বাৰা প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি, কেন্দ্ৰীয় চৰকাৰে ইয়াৰ দ্বাৰা, অধিসূচনা নং এছ.অ'. ২০৪(ঙ) দিনাংক ১৯ জানুৱাৰী,২০১৭যোগে সংশোধিত আৰু অধিসূচনা নং এচ.অ'. ৩৬৫(ঙ) দিনাংক ৭ ফেব্ৰুৱাৰী,২০১৭যোগে অধিকতৰ সংশোধিত, Notification No.S.O.4061(E) dated December 16, 2016 যোগে অধিসূচিত Pradhan Mantri Garib Kalyan Deposit Schemeৰ দফা ৫ত ধাৰ্য কৰা চৰ্তসমূহ সংশোধন কৰিছে।

২. মূল অধিসূচনাখনৰ দফা ৫ৰ ঠাইত নিম্নোক্তখিনি অভিষিক্ত হ'ব-

"৫. জমাৰ কাৰ্যকৰী তাৰিখ - ভাৰতীয় ৰিজাৰ্ভ বেংকে কৰ্তৃত্বপ্ৰাপ্ত বেংকবোৰৰ পৰা জমা প্ৰাপ্তিৰ তাৰিখটোৱেই বণ্ডছ্ লেজাৰ একাউন্ট খোলাৰ কাৰ্যকৰী তাৰিখ হ'ব; য'ত নেকি দেয় কৰ, ওপৰঞ্চি কৰ আৰু দণ্ডভাৰ ৩১ মাৰ্চ, ২০১৭লৈকে গ্ৰহণ কৰা হৈছে;

অধিকন্তু এই স্বৰ্তত যে জমাৰ তাৰিখটো কোনো ক্ষেত্ৰতে ৩০ এপ্ৰিল,২০১৭ৰ পিছলৈ সম্প্ৰসাৰিত নহ'ব। "